بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**উহুদৰ যুদ্ধৰ তাৎক্ষণিক পৰিস্থিতি আৰু সংঘটিত হোৱা ঘটনাৱলীৰ বৰ্ণনা আৰু সম্ভাব্য বিশ্ব যুদ্ধৰ হাত সাৰিবলৈ দোৱাৰ তেহেৰিক।**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৬ জানুৱাৰী ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আঁহজৰত (ছাঃ)য়ে উহুদৰ যুদ্ধত কেনেকুৱা আঘাত প্ৰাপ্ত হৈছিল সেই সম্পৰ্কে কিছুমান ৰিৱায়ত এনেদৰে আছে; হজৰত ইবনে আববাছ (ৰাঃ)ৰ পৰা বৰ্ণনা অনুযায়ী যুদ্ধ চলাকালীন নবী কৰিম (ছাঃ)য়ে কৈছিল যে আল্লাহ তা'লাৰ প্ৰদত্ত শাস্তি সেই ব্যক্তিৰ ওপৰত অতিকৈ কঠোৰ হয় যাক আল্লাহৰ নবীয়ে আল্লাহৰ বাটত বাধা প্ৰদানত হত্যা কৰে আৰু আল্লাহৰ শাস্তি সেই সম্প্ৰদায়ৰ ওপৰত বেছি কঠিন হৈ পৰে, যি সম্প্ৰদায়ে ৰছুলুল্লাহ (ছাঃ)ৰ মুখমণ্ডল তেজেৰে ৰাঙলি কৰি দিয়ে।

তিৰ্‌মিনীত বৰ্ণিত আছে যে যেতিয়া নবী কৰিম (ছাঃ)য়ে আঘাত প্ৰাপ্ত হৈছিল তেতিয়া কৈছিল সেই সম্প্ৰদায়ৰ ওপৰত আল্লাহৰ শাস্তি চৰম কঠোৰ হ'ব, যি সম্প্ৰদায়ে ৰছুলুল্লাহৰ মোবাৰক মুখমণ্ডল আঘাত প্ৰাপ্ত কৰিছে। আকৌ কিছু সময় অপেক্ষা কৰি কৈছিল- হে আল্লাহ! মোৰ নিজৰ এই সম্প্ৰদায়ক ক্ষমা কৰি দিয়া কাৰণ তেওঁলোকে বুজি পোৱা নাই, সিহঁত অবুজ। গতিকে তেখেত (ছাঃ)ৰ ৰহমত, যি আল্লাহ তা'লাৰ ৰহমত ৰূপে সম্পুৰ্ণ ভাৱে ৰঙীন হৈ পৰিছিল আৰু সেই অৱস্থাতেই বিজয় আহিছিল যদিও তেখেত (ছাঃ)য়ে আহত হৈ পৰিছিল আৰু শৰীৰ পৰা তেজ বৈ আছিল। তাৰ পিছত তেখেত (ছাঃ)য়ে এয়াও দোৱা কৰিছিল যে হে আল্লাহ! ইহঁতে যি জুলুম অত্যাচাৰ চলাই আছে এয়া সিহঁতে নেজানি আৰু নিৰ্বোধ হোৱা কৰি আছে, সিহঁতক তুমি ক্ষমা কৰি দিয়া। সিহঁতৰ ভুলৰ কাৰণে সিহঁতৰ ওপৰত শাস্তি নাযিল নকৰিবা। **আল্লাহুম্মা ছাল্লি আলা মুহাম্মাদিন ওৱা আলা আলে মুহাম্মদ,** কিমানেই দয়া আৰু ৰহমতৰ দৃশ্য এয়া।

হজৰত আব্দুল্লাহ বিন মাছুদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে যেনিবা মই এতিয়াও শুনা পাই আছো, দেখি আছো

যে নবী সকলৰ পৰা এজন নবীৰ অৱস্থা যেনিবা তেখেত (ছাঃ)য়ে শুনাই আছে, যাক তাৰ সম্প্ৰদায়ৰ লোকে প্ৰহাৰ কৰি কৰি তেজেৰে লুতুৰি-পুতুৰি কৰি দিছে। সি নিজৰ মুখমণ্ডলৰ তেজ মচি আছিল আৰু কৈ গৈছিল হে আল্লাহ ! মোৰ সম্প্ৰদায়ক ক্ষমা কৰি দিয়া কাৰণ সিহঁতে নাজানে।

এই বিষয়ে হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে ছিৰাত খাতামান নাবীঈন নামক পুস্তকত বৰ্ণনা কৰিছে যে গিৰিপথত আশ্ৰয় লৈ আঁহজৰত (ছাঃ)য়ে আলি (ৰাঃ)ৰ সহায়ত ক্ষত স্থান ধুই আছিল আৰু যি দুটা গজাল তেখেত (ছাঃ)ৰ মূৰত সোমাই গৈছিল আবু উবেয়দা বিন আলজাৰাহ (ৰাঃ)য়ে সেই গজাল দাঁতেৰে ধৰি টানি উলিয়ায় যাৰ ফলত আবু উবেয়দা (ৰাঃ)ৰ দুটা দাঁত ভাঙি যায়। সেই সময়তও আঁহজৰত (ছাঃ)ৰ ক্ষত স্থানৰ পৰা তেজ ওলাই আহিছিল, সেই তেজ দেখি আঁহজৰত (ছাঃ)য়ে দুখিত হৈ কৈছিল, **কায়ফা ইয়াফলাহু কাউমুন খাজাবু ওৱাজহা নাবিয়িহিম বিদ্দামি ওৱা হুৱা ইয়াদউহুম ইলা ৰাববিহিম**। অৰ্থাৎ কেনেকৈ মুক্তি লাভ কৰিব সেই সম্প্ৰদায়ে যিয়ে নিজৰ নবীৰ মুখমণ্ডল তাৰেই তেজেৰে ৰাঙলি কৰি দিছে, এই দোষতে যে সি তেওঁলোকক খোদাৰ ফালে আহ্বান কৰে। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে কিছু সময় মনে মনে থাকি আকৌ কৈছিল, **আল্লাহুম্মাগ ফিৰ লিকাউমি ফাইন্নাহুম লা ইয়ালামুন** অৰ্থাৎ হে মোৰ আল্লাহ ! তুমি মোৰ সম্প্ৰদায়ৰ লোকক ক্ষমা কৰি দিয়া, কাৰণ সিহঁতে নেজানি আৰু মূৰ্খতা বশত এই কাম কৰিছে। বৰ্ণনাত আছে যে সেই সময়ছোৱাতে এই কোৰাণী আয়াত নাযিল হৈছিল, **লায়ছা লাকা মিনাল আমৰি শ্বাইয়ুন** অৰ্থাৎ শাস্তি আৰু ক্ষমাৰ বিষয়টো আল্লাহৰ হাতত তাৰ লগত তোমাৰ কোনো সম্পৰ্ক নাই, খোদা যাকে ইচ্ছা কৰে তাক ক্ষমা কৰিব আৰু যাক ইচ্ছা কৰে তাক শাস্তি দিব।

হজৰত ফাতিমা (ৰাঃ) য়ে এই ভয়ানক খবৰ শুনি মদিনাৰ পৰা ওলাই আহি উহুদৰ ময়দান পাইছিল আৰু তাতে আহিয়েই দেউতাকৰ ক্ষত স্থানবোৰ ধুই চাফা কৰিবলৈ আৰম্ভ কৰে। কিন্তু সেই জখমবোৰৰ পৰা তেজ ওলোৱা কোনো মতেই বন্ধ হোৱা নাছিল। অৱশেষত হজৰত ফাতিমা (ৰাঃ)য়ে এটুকুৰা বস্তা পুৰি লৈ তাৰ ছাইখিনি আঁহজৰত (ছাঃ)ৰ সেই ক্ষত স্থানত লগাই পট্টি বান্ধি দিয়াৰ পিছতহে তেজ ওলোৱা বন্ধ হৈছিল। আন আন মহিলা সকলে আহত চাহাবা সকলৰ শুশ্ৰূষা কৰি ছোৱাব লাভ কৰিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই ঘটনাৰ বৰ্ণনা এনেদৰে আগবঢ়াইছে, উহুদৰ ময়দানত তুমুল ৰণ চলি থকা অৱস্থাত কাফিৰ সকলে দলিয়াই মৰা এটা পাথৰ আহি আঁহজৰত (ছাঃ)ৰ কপালত লাগে আৰু তাৰেই গজাল তেখেত (ছাঃ)ৰ মূৰত সোমাই পৰে। সেই আঘাতত তেখেত (ছাঃ)য়ে অচেতন হৈ সেই চাহাবা সকলৰ মৃত দেহৰ ওপৰত পৰেগৈ, যি সকলে যুঁজি যুঁজি শ্বহীদ হৈ পৰি আছিল। তাৰ পিছত আৰু কিছুমান চাহাবাৰ মৃত দেহ তেখেত (ছাঃ)ৰ শৰীৰৰ ওপৰত গৈ পৰে। এই অৱস্থা চাই লোকে ভাবি লৈছিল যে আঁহজৰত (ছাঃ)য়েও শ্বহীদ হৈ গৈছে। কিন্তু যেতিয়া তেখেত (ছাঃ)ক সেই শ্বহীদ চাহাবা সকলৰ লাস (মৃত দেহ)ৰ তলৰ পৰা উলিয়াই অনা হৈছিল আৰু তেখেত (ছাঃ)য়ে সম্ভেদ ঘুৰাই পাইছিল তেতিয়া তেখেত (ছাঃ)য়ে এয়া অনুমানেই কৰা নাছিল যে শত্ৰু সকলে তেখেতক ঘাইল কৰি পেলাইছে, তেখেতৰ দাঁত ভাঙি গৈছে, তেখেতৰ আত্মীয় স্বজন আৰু বন্ধু-বান্ধৱ সকলোকে শ্বহীদ কৰি পেলাইছে বৰং তেখেত (ছাঃ)য়ে চেতনা ঘুৰাই পোৱাৰ লগে লগে দোৱা কৰিছিল যে **ৰাববিগ ফিৰলি কাউমি ফাইন্নাহুম লা ইয়ালামুন** অৰ্থাৎ হে মোৰ পালনকৰ্ত্তা এওঁলোক মোৰ মোকাম আৰু মৰ্যদা চিনিব পৰা নাই, গতিকে সিহঁতক ক্ষমা কৰি দিয়া আৰু তেওঁলোকৰ গোনাহ মাফ কৰি দিয়া।

উহুদৰ যুদ্ধত ফিৰিস্তা সকলে আহি যুদ্ধ কৰা সম্পৰ্কে বৰ্ণনাৰ উল্লেখ পোৱা যায়। হজৰত ছাআদ বিন উকাচ (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে মই উহুদৰ দিনা ৰছুলুল্লাহ (ছাঃ)ৰ সোঁৰে-বাওঁৰে দুজন লোকক দেখিছো, তেওঁলোক দুজনে বগা কাপোৰ পৰিধান কৰা আছিল আৰু তুমুল যুদ্ধ চলাই গৈছিল। মই সেই লোক দুজনক আগতে

কেতিয়াও দেখা নাছিলো আৰু না তাৰ পিছত আকৌ দেখিছো অৰ্থাৎ সেই দুজন আছিল জিব্ৰাইল (আঃ) আৰু মিকাইল (আঃ)।

আল্লামা বায়হাকি উৰুৱাৰ পৰা বৰ্ণিত যে আল্লাহ তা'লা তেখেত সকলৰ ধৈৰ্য্য আৰু তাকওয়াৰ ওপৰত প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল যে পাঁচ হাজাৰ ফিৰিস্তাৰ দ্বাৰা তেওঁলোকক সহায় কৰিব আৰু আল্লাহ তা'লা তেনেকুৱাই কৰিছিল। কিন্তু যেতিয়া তেওঁলোকে ৰছুলুল্লাহ (ছাঃ)ৰ আদেশ অমান্য কৰে আৰু নিজৰ ঠাই এৰি দিয়ে আৰু তীৰ আন্দাজ সকলে নিজৰ ঠাই এৰি আহি জগতৰ মোহত পৰে তেতিয়া তেওঁলোকৰ পৰা ফিৰিস্তাৰ সহায় উঠাই লৈ যায় আৰু আল্লাহ তা'লা এই আয়াত অৱতীৰ্ণ কৰে যে-নিশ্চয় আল্লাহ তোমালোকক দিয়া প্ৰতিশ্ৰুতি পূৰ্ণ কৰি দেখুৱাইছে যেতিয়ালৈকে তোমালোকে তাৰ আদেশ পালন কৰি আছিলা। মহম্মদ বিন ছাবিতে বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে উহুদৰ দিনা কৈছিল- হে মুচাআব তুমি আগবাঢ়ি যোৱা, তেতিয়া আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)য়ে প্ৰশ্ন কৰিছিল হে আল্লাহৰ ৰছুল! মুচাআবাক শ্বহীদ কৰা হোৱা নাই নে ? তেখেত (ছাঃ)য়ে উত্তৰ দিছিল নিশ্চয় হৈছে। কিন্তু এজন ফিৰিস্তা তাৰ কায়েম মোকাম বনোৱা হৈছে আৰু মুচাআবৰ নাম তাক দিয়া হৈছে। আল্লামা ইবনে আছাকৰ ছাআদ বিন আবি উকাচ (ৰাঃ)ৰ পৰা বৰ্ণিত যে তেওঁ কৈছে যে উহুদৰ দিনা মই নিজকে দেখিছো যে মই তীৰ চলাই আছো আৰু সেই তীৰবিলাক এজন বগা পোছাক পৰিধান কৰা লোকে ঘুৰাই আনি মোক দি গৈছে। মই তেওঁক চিনি পোৱা নাছিলো, যিয়েই নহওঁক মই অনুমান কৰিছিলো যে সেইজন ফিৰিস্তা আছিল।

হজৰত খলিফাতুল মছিহ ৰাবে (ৰহঃ)য়ও এই ঘটনাৰ বৰ্ণনা কৰিছে। তেখেত লিখিছে যে বদৰৰ যুদ্ধত ফিৰিস্তা সকলে ক'লা পাগুৰি পিন্ধি যুদ্ধ ক্ষেত্ৰত নামিছিল আৰু তেওঁলোকৰ এটা ইউনিৰ্ফম আছিল। যেতিয়া সকলোবোৰ বৰ্ণনা এঠাই জমা কৰা হৈছিল তেতিয়া এয়া আচৰিত হোৱাৰ বিষয় হৈ পৰে। কিন্তু আঁহজৰত (ছাঃ)য়ে যেনেকৈ মুছাবিবমিনাৰ তফছিৰ কৰিছিল, ঠিক তেনেকৈ হৈছিল। তেনেদৰে উহুদৰ যুদ্ধত যি সকল ফিৰিস্তাক দেখা গৈছিল, তেওঁলোকৰ মূৰত ৰঙা বৰণৰ পাগুৰি আছিল। এই ৰঙা বৰণত কিছুমান শোকাকুল পৰিস্থিতি ঘটাৰ বাৰ্তা লুকাই আছিল। তাৰ দৃষ্টান্ত হ'ল যিমান দুখ চাহাবা সকলে উহুদৰ যুদ্ধত আঁহজৰত (ছাঃ)য়ে আহত হোৱাৰ বাবে অনুভৱ কৰিছিল, তেনেকুৱা মৰ্মাহত চাহাবা সকলে আঁহজৰত (ছাঃ)ৰ জীৱনদশাত কেতিয়াও হোৱা নাছিল। এটা দুখৰ খবৰ শুনাৰ পিছত আন এটা মৰ্মান্তিক খবৰ শুনি চাহাবা সকলে নিৰাশাত ভাঙি পৰে। সেয়ে উহুদৰ যুদ্ধত ফিৰিস্তা সকলৰ চিহ্নৰ বাবেও এনেকুৱা ৰঙ নিৰ্দ্ধাৰণ কৰা হৈছিল যে যাৰ মাজত শোক আৰু দুখৰ লগতে তেজৰ নিচান যুক্ত আছিল।

চাহাবা সকলৰ ৰণ নৈপুণ্য আৰু প্ৰাণ ত্যাগৰ ঘটনা বহুত আছে যে কেনেকৈ তেওঁলোকে আঁহজৰত (ছাঃ)ক হিফাজত কৰিবলৈ নিজৰ প্ৰাণ বিৰ্সজন দিছিল। হজৰত মিৰ্জা বশিৰ আহমদ চাহাবে এই বিষয়ে লিখিছে যে সেই সময়ছোৱাত ভয়ানক যুদ্ধ চলি আছিল আৰু মুছলমান সকলৰ বাবে হৈ পৰিছিল এটা বিপদজনক পৰিস্থিতি আৰু যেনিবা এটা পৰীক্ষা চলিছিল।

আঁহজৰত (ছাঃ)ৰ শ্বাহাদতৰ খবৰ শুনি বহু চাহাবায় নিৰাশ হৈ পৰে আৰু অস্ত্ৰ সামৰি লৈ যুদ্ধ ক্ষেত্ৰৰ পৰা একাষৰীয়া হৈ বহি পৰে। তেওঁলোকৰ মাজত হজৰত উমৰ (ৰাঃ)য়েও আছিল। গতিকে যেতিয়া এওঁলোকে যুদ্ধ এৰি বহি আছিল তেতিয়া হজৰত আনাছ বিন নজৰ আনছাৰী তেওঁলোকৰ ওচৰত আহি কয় যে তোমালোকে ইয়াত কি কৰি আছা ? তেওঁলোকে উত্তৰত কৈছিল যে ৰছুলুল্লাহ (ছাঃ)শ্বহীদ হৈ গৈছে, এতিয়া আৰু যুদ্ধ কৰি কি লাভ হ'ব। তেতিয়া আনাছ (ৰাঃ)য়ে কৈছিল যে এয়াই যুদ্ধ কৰাৰ উত্তম সময় যাতে ৰছুলুল্লাহ (ছাঃ)য়ে পোৱা মৃত্যু আমাৰ ভাগ্যতও মিলে, তেখেত (ছাঃ)ৰ অবিহনে এই জীৱনৰ কি অৰ্থ আছে ? ক্ষণিক পিছতেই তাতে আহি

ছাআদ বিন মুৱাজ উপস্থিত হয়, তাক আনাছ (ৰাঃ)য়ে কৈছিল, পাহাৰৰ পৰা মৌলৈ জান্নাতৰ সুগন্ধি আহি আছে। এই বুলি আনাছ (ৰাঃ)য়ে শত্ৰুৰ শাৰীৰ ভিতৰত সোমাই পৰে আৰু যুঁজি যুঁজি শ্বহীদ হৈ যায়। যুদ্ধৰ পিছত দেখা পায় যে তাৰ শৰীৰত ৮০ টাতকৈ অধিক আঘাতৰ চিহ্ন আছে তাক কোনেও চিনি পোৱা নাছিল। অৱশেষত তাৰ এজনী ভনীয়েকে তাৰ আঙুলি চাই চিনাক্ত কৰিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়েও এখেত (ৰাঃ)ৰ শ্বাহাদত সম্পৰ্কে বৰ্ণনা কৰিছে। তেখেত (ৰাঃ)য়ে  কৈছে উহুদৰ যুদ্ধত খোদা তা'লাই আকৌ এবাৰ মুছলমান সকলক বিজয় দান কৰে তেতিয়া আঁহজৰত (ছাঃ)য়ে আনাছ (ৰাঃ)ৰ মৃত দেহ বিচাৰি উলিয়াবলৈ আদেশ দিয়ে। তেখেত (ৰাঃ)ৰ মৃত দেহ বিচাৰি বিচাৰি এঠাইত গৈ তেখেতৰ মৃত দেহৰ টুকুৰা বিচাৰি উলিয়ায় আৰু তাৰ ভনীয়েকে তাৰ এহাতৰ আঙুলি চিনি পাই ৰছুলুল্লাহ (ছাঃ)ক খবৰ দিয়ে। এয়াই আছিল ৰছুল প্ৰেমৰ নিদৰ্শন। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বৰ্ণনাৰ বাকী অংশ ইনশা আল্লাহ আগলৈ বৰ্ণনা কৰা হ'ব।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে ইয়ামিনৰ আহমদী সকলৰ নিৰাপত্তাৰ বাবে দোৱা কৰিবলৈ আহ্বান জনায়, তেওঁলোকে বৰ্তমানে বৰ সংকটজনক অৱস্থাত দিনাতিপাত কৰি আছে। এনেদৰে মুছলিম উম্মাহৰ বাবে দোৱা কৰিব যাতে আল্লাহ তা'লা তেওঁলোকৰ মাজত ঐক্য আৰু একতাৰ জন্ম দিয়ে। লগতে সিহঁতক প্ৰজ্ঞা আৰু বোধশক্তি দান কৰে। বিশ্বৰ সাধাৰণ পৰিস্থিতি মানৱৰ অনুকুলে হোৱাৰ বাবে দোৱা কৰিব। বিশ্বখন অতি বেগেৰে সৈতে তৃতীয় এখন বিশ্ব যুদ্ধৰ ফালে ধাৱবান হৈছে। আল্লাহ তা'লা সকলোৰে ওপৰত কৃপা বৰ্ষণ কৰক।

খোতবা জুমাৰত শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে দুজন মৰহুমৰ বিষয়ে চমু বৰ্ণনা আগবঢ়ায়। ইয়াৰে প্ৰথমজন হ'ল মৰহুম হাফিজ ডাক্তৰ আব্দুল হামিদ গামাংগা চাহাব নায়েব আমিৰ জামাত ছেৰালিউন, দ্বিতীয় হ'ল মৰহুমা তাহিৰা মুৰববী ছিলছিল। এওঁলোকৰ জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে আৰু দোৱা কৰে যে আল্লাহ তা'লা এওঁলোকৰ সৈতে মাগফিৰাত আৰু দয়াৰ আচৰণ প্ৰদৰ্শন কৰক। এওঁলোকৰ সতি-সন্ততিক নেকি জাৰি ৰখাৰ তৌফিক দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 26 JAN 2024**

# BOOK POST (PRINTED MATTER)

TO,

.............................................................................................................................

.............................................................................................................................

.............................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844